অলঙ্কাৰৰ স্বৰূপৰ লগত একে।

আমাৰ পুৰণি সাহিত্যৰ কাব্যিক—ৰচনাবোৰ নানাবিধ মিত্ৰাক্ষৰ ছন্দত ৰচিত। পদ, দুলড়ি, ছবি আদি বহুবিধ মিত্ৰাক্ষৰ ছন্দৰ স্বৰূপ দাঙিধৰা হল :

**পদ**—এই বিধ ছন্দত দুটাকৈ শাৰী বা চৰণ থাকে আৰু প্ৰতি শাৰীতে থাকে চৈধ্যটাকৈ অক্ষৰ। শাৰীৰ প্ৰথম আঠটা অক্ষৰত এক পৰ্ব্ব আৰু দ্বিতীয় ছয়টা অক্ষৰত এক পৰ্ব্ব, মুঠতে চাৰিটা পৰ্ব্ব এই ছন্দৰ অন্তৰ্ভুক্ত। ইয়াত প্ৰথম শাৰীৰ শেষ অক্ষৰৰ লগত দ্বিতীয় শাৰীৰ শেষ অক্ষৰৰ মিল হয়। যেনে—

| | | | | | | | | | | | | |
বৈশম্পায়ন বদতি শুনিয়ো জন্মেজয়।
| | | | | | | | | | | | | |
এহিমতে যান্ত যেবে, দৈৱকী তনয়, ॥
| | | | | | | | | | | | | |
নাৰীগণো শুনিলেক, কৃষ্ণ আসিবাৰ, ।
| | | | | | | | | | | | | |
উৰুক মুকুক কৰি, পিন্ধে অলঙ্কাৰ, ॥ (ৰুক্মিণী হৰণ)

সংস্কৃত সাহিত্যৰ কাব্যৰাজিৰ বেছিভাগ কথা যেনেকৈ অনুষ্টুভ ছন্দত ৰচিত, পুৰণি অসমীয়া কাব্যৰাজিৰো বেছিভাগ কথাই পদ ছন্দত বৰ্ণিত। ইয়াক পয়াৰো বোলা হয়।

**দুলড়ি**—ই ছয়টা পৰ্ব্বযুক্ত চাৰি শাৰীৰ ছন্দ। ছয়টা অক্ষৰযুক্ত পৰ্ব্ব প্ৰথম শাৰীত দুটা আৰু তৃতীয় শাৰীত দুটা, আৰো আঠটা অক্ষৰযুক্ত পৰ্ব্ব দ্বিতীয় আৰু চতুৰ্থ শাৰীত এটাকৈ, মুঠতে ছয়টা পৰ্ব্ব ইয়াত থাকে। দ্বিতীয় শাৰীৰ শেষৰ অক্ষৰৰ লগত চতুৰ্থ শাৰীৰ শেষৰ অক্ষৰৰ মিল ( rhyme ) হয়। যেনে—

শুনা আত পৰে কথা নিৰন্তৰে
চৰিত্ৰ যেন ৰামৰ।
পৰলোক হিত ঋষি বিশ্বামিত্ৰ
আৰম্ভিলা যজ্ঞবৰ ॥ ( ৰামা, মাধৱকন্দলী )

**ছবি**—ইয়ো ছয়টা পৰ্ব্বযুক্ত চাৰিশাৰীৰ ছন্দ। আঠটা অক্ষৰযুক্ত পৰ্ব্ব প্ৰথম শাৰীত দুটা আৰু তৃতীয় শাৰীত দুটা, আকৌ দহটা অক্ষৰযুক্ত পৰ্ব্ব দ্বিতীয় আৰু চতুৰ্থ শাৰীত এটাকৈ, মুঠতে ছয়টা পৰ্ব্ব থাকে। দ্বিতীয় শাৰীৰ শেষাক্ষৰৰ লগত চতুৰ্থ শাৰীৰ শেষাক্ষৰৰ মিল ( rhyme ) হয়। যেনে—

কুমৰকো চুলে ধৰি কাটিবে খোজন্তে হৰি
এতেকতে আসিলো লৱৰি।
কিবা ভৈল তাৰ তথা নজানোহো পাছ কথা
ভান্তে প্ৰভু যাহা তুমি লৰি॥ ( ৰুক্মিণী-হৰণ কাব্য )

***লেচাৰি***—ই চাৰি শাৰীৰ ছয়টা চৰণযুক্ত এবিধ দীঘলীয়া ছন্দ। ইয়াৰ প্ৰথম, দ্বিতীয়, চতুৰ্থ আৰু পঞ্চম চৰণত দহটাকৈ আৰু তৃতীয় আৰু ষষ্ঠ চৰণত চৈধ্যটাকৈ অক্ষয় থাকে। দশাক্ষৰী চৰণ চাৰিটাৰ প্ৰত্যেকৰে দুটাকৈ পৰ্ব্ব থাকে—প্ৰথমটো ছয় অক্ষৰৰ আৰু দ্বিতীয়টো চাৰি অক্ষৰৰ। চতুৰ্দ্দশাক্ষৰী চৰণ দুটাৰো দুটাকৈ পৰ্ব্ব থাকে—প্ৰথমটো ছয় অক্ষৰৰ আৰু দ্বিতীয়টো আঠ অক্ষৰৰ। প্ৰথম আৰু চতুৰ্থ চৰণৰ শেষাক্ষৰৰ লগত যথাক্ৰমে দ্বিতীয় আৰু পঞ্চম চৰণৰ শেষাক্ষৰৰ মিল ( rhyme ) হয়, আৰু তৃতীয় চৰণৰ শেষাক্ষৰৰ লগত ষষ্ঠ চৰণৰ শেষাক্ষৰৰ মিল হয়। যেনে—

হৰিৰ গুণৰ দেখা বল লভিলেক যিটো মোক্ষ ফল
তাহাবাসৱৰো চিত্তক আনয় টানি।
এতেকে নিপুণ যিটো জন কৃষ্ণৰ চৰণে দিয়া মন
হৰিৰ গুণক নাছাৰিবা সাৰ জানি॥ ( নামঘোষা )

কেতিয়াবা আকৌ, দশাক্ষৰী চৰণত পূৰ্ব্বোক্ত ধৰণৰ মিল নাথাকেও। যেনে—

পূৰ্ণ শশী পূৰ্ণ দুগ্ধ সিন্ধু সিমত প্ৰকাশ নকৰয়
কমনীয় লক্ষ্মী বদনো সিমত নয়।
ঈশ্বৰ কৃষ্ণৰ পাদপদ্ম ভজি স্পৃহাহীন ভৈলা যিটো
সিটো মনগোটে যিমতে শোভা কৰয়॥ ( নামঘোষা )